অধ্যায় ৯ ঃ প্রচাৰ মাধ্যম আৰু উন্নয়ন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ প্রচাৰ মাধ্যম আৰু ৰাষ্ট্রীয় সংহতি

৯.৪ উন্নয়নত প্রচাৰ মাধ্যম

- ৯.৪.১ গণতন্ত্রৰ স্তম্ভ
- ৯.৪.২ সংকটাৱস্থাত প্রচাৰ মাধ্যম
- ৯.৪.৩ ৰাজহুৱা সেৱা সম্প্রচাৰ
- ৯.৪.৪ সমাজৰ মুৰব্বী হিচাপে প্রচাৰ মাধ্যম

৯.৫ প্রচাৰ মাধ্যমৰ সামাজিক দায়িত্ব

৯.৬ অনুশীলনৰ সমস্যা

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্রীয় সংহতি স্থাপনত প্রচাৰ মাধ্যমৰ ভূমিকা আলোচনা কৰিব পাৰিব
- উন্নয়নৰ বিষয়ত প্রচাৰ মাধ্যমৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- প্রচাৰ মাধ্যমৰ সামাজিক দায়িত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

এই খণ্ডৰ আগৰ অধ্যায়টোত উন্নয়নমূলক সংযোগে কেনেদৰে সঠিকভাৱে নির্দ্ধাৰিত জনসাধাৰণৰ মাজত তথ্য প্রচাৰ কৰাত সহায় কৰে সেই বিষয়ে আলোচনা কৰা হৈছিল। এই কামৰ ফলত জনসাধাৰণৰ জীৱন ধাৰণৰ মান কিছু উন্নত হয় বুলিও আমি গম পালো।

এই অধ্যায়ত প্রচাৰ মাধ্যম সকলো ক্ষেত্রতে কেনেদৰে ৰাষ্ট্রীয় বিকাশত সহায় কৰিব পাৰে সেই বিষয়ে আলোচনা কৰিম। অগতানুগতিক পৰিস্থিতিৰ সময়তো ৰাষ্ট্রৰ উন্নতি সম্ভৱপৰ কৰি তোলাত অনুঘটকৰ কাম কৰা প্রচাৰ মাধ্যমৰ বিভিন্ন ইতিবাচক দিশৰ ওপৰতো অধ্যায়টোত আলোকপাত কৰা হ'ব।

৯.৩ গৱেষণাৰ অর্থ

এখন ৰাষ্ট্ৰ গঠনত গণ প্রচাৰ মাধ্যম আৰু উন্নয়নে অবিচ্ছেদ্য অংগৰ ভূমিকা পালন কৰে। এখন গণতান্ত্রিক দেশত প্রচাৰ মাধ্যমক উপযুক্ত সন্মান আৰু আসন দিয়া উচিত যাতে ই দেশৰ উন্নতিৰ লক্ষ্যত উপনীত হোৱাৰ কর্তব্য স্বতন্ত্রভাৱে সম্পাদন কৰিব পাৰে। স্বৈৰতান্ত্রিক আৰু একনায়কত্ববাদী ৰাষ্ট্রসমূহত প্রচাৰ মাধ্যমে কোনো স্বায়ত্ত অধিকাৰ নোহোৱাকৈ অৱদমিত অৱস্থাত থাকে আৰু ৰাজনৈতিক মুৰব্বীসকলে যি আদেশ দিয়ে সেয়া পালন কৰে।

কিন্তু এখন গণতান্ত্রিক দেশত প্রচাৰ মাধ্যমৰ উপস্থিতি অতি সবল তথা ক্ষমতাশালী। ইয়াৰ বাবে শাসনাধিষ্ঠিত দল অথবা শাসনতন্ত্রৰ অন্য স্তম্ভ বুলি গণ্য কৰা অংশবোৰে কোনো অনৈতিক কাম কৰিবলৈ ভয় কৰে অথবা বহুক্ষেত্রত দুর্নীতি কৰাৰ পৰা বিৰত থাকে।

তলৰ উদাহৰণটোলৈ মন কৰিলে যিকোনো দেশৰ বাবে প্রচাৰ মাধ্যমৰ গুৰুত্ব কিমান সেই কথা বুজিব পৰা যায়। ভিন্ন ভাষা তথা সংস্কৃতিৰ সৈতে সহাৱস্থান কৰা অজস্র জনজাতি তথা খিলঞ্জীয়া সম্প্রদায়ৰ বাসভূমি ভাৰতৰ দৰে দেশ এখনৰ ক্ষেত্রত এই কথাটো বিশেষভাৱে প্রযোজ্য।

বৃটিছসকল অহাৰ আগতে ভাৰততে কোনো উমৈহতীয়া ভাষা নাছিল। দেশৰ প্রতিটো সৰু-বৰ প্রান্ততে ভিন্ ভিন্ ভাষা প্রচলিত আছিল। বিশেষ অঞ্চল এটাতহে তেনে ভাষা একোটা বুজি পোৱা গৈছিল। সেই সময়ত জনগণৰ মাজত একতাৰ ধাৰণাটো বিমূর্ত আছিল বুলিয়ে ক'ব পৰা যায়। ভাষিক অন্তৰায়ে ভিন্ন অঞ্চলৰ বাসিন্দাৰ মাজত সম্পর্ক স্থাপনত বাধা প্রদান কৰিছিল। সেই সময়ত যাতায়াত তথা পৰিবহন ব্যৱস্থাৰ অসুচলতায়ো সম্পর্ক স্থাপনৰ প্রক্রিয়াটো বাধাগ্রস্ত কৰিছিল।

বৃটিছসকলে বৃটিছ শাসিত বৃহত্তৰ ভাৰতবর্ষৰ সকলো বিদ্যালয় তথা অন্য শৈক্ষিক প্রতিষ্ঠানত ইংৰাজীক নীতি-নির্দেশনা জাৰি কৰাৰ মাধ্যমৰূপে প্রয়োগ কৰিবলৈ ল'লে। প্রথমবাৰৰ বাবে সমগ্র দেশতে একতাৰ ভাব জাগৃত কৰাৰ বিশাল সম্ভাৱনাৰ বীজ ৰোপণ কৰা হ'ল।

ভাষা হ'ল জনগণৰ মাজত তথ্য আদান-প্রদান কৰাৰ এক অতি সুবিধাজনক মাধ্যম। সেয়েহে সংযোগী ভাষা এটাৰ প্রচলন আৰম্ভ হোৱাৰ লগে লগে কেইবাখনো বাতৰি-কাকতে আত্মপ্রকাশ কৰিলে। লাহে লাহে প্রচাৰ মাধ্যমৰ বিভিন্ন দিশ তথা দেশত হোৱা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ বিষয়ে মানুহবোৰ সজাগ হ'বলৈ ধৰিলে।

এইখিনিতে এটা কথা মনত ৰখা জৰুৰী যে ঔপনিৱেশিক শাসকসকলে ইংৰাজী ভাষাটো দৰাচলতে নিজৰ লাভ তথা স্বার্থৰ খাটিৰতহে প্রচলন কৰিছিল। কিন্তু পৰোক্ষভাৱে ই দেশৰ একতা বৃদ্ধিত সেই সময়ছোৱাত প্রভূত বৰঙণি আগবঢ়াইছিল। ই সমগ্র দেশতে বৃটিছ শাসকসকলৰ বিৰুদ্ধে জনজাগৰণৰ সৃষ্টি কৰাতো সহায়কৰ ভূমিকা গ্রহণ কৰিছিল। ইয়াৰ পৰা আমি বুজিলো যে বৃটিছ যুগৰ আৰম্ভণিতেই প্রচাৰ মাধ্যমবোৰে ৰাষ্ট্র গঠনৰ প্রয়াস আৰম্ভ কৰিছিল। পাছলৈ ই এক উচ্চস্তৰীয় প্রচেষ্টালৈ ৰূপান্তৰিত হৈছিল।

আন এটা উল্লেখযোগ্য উদাহৰণ তলত দিয়া হ'ল। আমেৰিকাৰ জনসাধাৰণে বৃটিছ চৰকাৰৰ অধীনৰ পৰা মুক্ত হৈ পৃথক আৰু স্বাধীন দেশ গঠন কৰিবলৈ বিপ্লৱৰ সূচনা কৰাৰ সময়ত প্ৰচাৰ মাধ্যমবোৰে স্বাধীনতা সংগ্ৰামৰ সপক্ষত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। দেশখনে স্বাধীনতা লাভ কৰাৰ ক্ষেত্ৰত এই ভূমিকাই এক উল্লেখযোগ্য কাৰকৰ ৰূপ লৈছিল। সেয়েহে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানৰ প্ৰথম সংশোধনীত এই কথা স্পষ্টভাৱে উল্লেখ কৰা আছে যে দেশখনৰ সংসদে সংবাদ মাধ্যমৰ (Press) স্বাধীনতা যিকোনো ধৰণে খৰ্ব অথবা সীমাবদ্ধ কৰিব পৰা কোনো ধৰণৰ আইন প্ৰণয়ন নকৰে। আজিলৈকে আমেৰিকাৰ আইন প্ৰণেতাসকলে এই নিৰ্দেশনাৰ প্ৰতি সৰ্বোচ্চ শ্ৰদ্ধা প্ৰদৰ্শন কৰি আহিছে।

ইউৰোপৰ নৱজাগৰণৰ যুগটো হ'ল এইক্ষেত্ৰত আন এটা ৰজিতা খোৱা উদাহৰণ। আমি জানো যে মধ্যযুগত জীৱনৰ সকলো দিশতে মহাদেশখনত খৃষ্টধৰ্মৰ প্ৰভাৱ আছিল অতি শক্তিশালী। ই আনকি ৰজা-মহাৰজাসকলতকৈও অধিক প্ৰভাৱ আৰু ক্ষমতাশীল আছিল। সেই সময়ত গণসংযোগ নামৰ ধাৰণাটোৰ কোনো অস্তিত্ব নাছিল। ধৰ্মীয় কৰ্তৃপক্ষবোৰে ধৰ্মীয় প্ৰতিষ্ঠানৰ অন্তৰ্ভুক্ত নোহোৱা কোনো ব্যক্তিকেই অমূল্য ধৰ্মগ্ৰন্থ তথা অন্য জ্ঞানৰ উৎস কিতাপসমূহ পঢ়িবলৈ নিদিছিল।

কিন্তু জোহানেছ গুটেনবার্গে ছপাশাল উদ্ভাৱন কৰাৰ পাছতেই ধৰ্মগ্ৰন্থ আৰু মহাকাব্যসমূহ সহজলভ্য হৈ পৰিল। শিক্ষিত লোকৰ সংখ্যা বাঢ়িল। কিতাপবোৰৰ গূঢ়াৰ্থ বুজা লোকৰ সংখ্যাও বৃদ্ধি পালে। এই কথাবোৰে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে যুক্তিসংগত ৰূপত বুজিবলৈ অনুপ্ৰাণিত কৰি এটা সক্ৰিয় সজাগতাৰ সৃষ্টি কৰিলে। সেই সময়ছোৱাত হোৱা এই নব্য বিকাশৰ ফলস্বৰূপে নৱজাগৰণৰ সৃষ্টি হ'ল। এই জাগৰণে সমগ্ৰ পৃথিৱীখনকেই একপ্ৰকাৰ সলনি কৰি পেলালে।

ওপৰত উল্লেখ কৰি অহা কথাখিনিৰ পৰা আপুনি নিশ্চয় বুজিব পাৰিলে যে গণ প্ৰচাৰ মাধ্যমবোৰে এছোৱা সময়ৰ ভিতৰত ক্ৰমান্বয়ে সমাজৰ পৰিবৰ্তন সাধন কৰে। 'ক্ৰমান্বয়ে' বোলাৰ অৰ্থ হ'ল সাধাৰণতে মানুহে পৰিবৰ্তন অথবা নতুন বিকাশত সহজে গ্ৰহণ কৰিব নোৱাৰে। নতুন বস্তু এটা গ্ৰহণ কৰিবলৈ মানুহৰ মনত প্ৰত্যয় জন্মাবলৈ অলপ সময়ৰ প্ৰয়োজন হয়। তাৰ পাছতহে মানুহে বস্তুটোৰ সৈতে অভ্যস্ত হোৱাৰ চেষ্টা কৰে আৰু কালক্ৰমত ইয়াৰ উপকাৰিতা অথবা অপকাৰিতা অনুধাৱন কৰে। সমাজত এনে লোকৰ সংখ্যাই অধিক হোৱা হেতুকে সামগ্ৰিকভাৱে শত-সহস্ৰ মানুহক সলনি কৰিবলৈ কিমান দীঘলীয়া সময় এছোৱাৰ প্ৰয়োজন হ'ব পাৰে, সেয়া সহজে অনুমেয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ এখন গণতান্ত্রিক দেশৰ প্রচাৰ মাধ্যমক কিয় সন্মান প্রদর্শন কৰিব লাগে?

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ বৃটিছ শাসিত ভাৰতৰ শৈক্ষিক প্রতিষ্ঠানসমূহত বৃটিছ চৰকাৰে কোনটো ভাষাক উমৈহতীয়া ভাষাৰূপে প্রচলন কৰিছিল?

.....

.....

প্রশ্ন নং ৩ ঃ কিয় আমেৰিকা যুক্তৰাষ্ট্রৰ প্রথম সংবিধান সংশোধনীত দেশখনৰ সংসদে সংবাদ মাধ্যমৰ স্বাধীনতা খর্ব অথবা সীমাবদ্ধ কৰিব পৰা আনি প্রণয়ন কৰিব নোৱাৰিব বুলি স্পষ্টভাৱে উল্লেখ কৰা আছে?

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ ধর্মগ্রন্থ আৰু মহাকাব্যসমূহ সহজলভ্য কৰি তোলাৰ আঁৰত থকা ঐতিহাসিক ঘটনাটো কি?

.....

৯.৪ উন্নয়নত প্রচাৰ মাধ্যম

এখন দেশৰ সামগ্রিক উন্নতিত উন্নয়নমূলক সংযোগে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। আমাৰ ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনৰ ক্ষেত্রত এই কথাটো বিশেষভাবে প্রযোজ্য। উন্নয়নমূলক সংযোগৰ ক্ষেত্রত প্রচাৰ মাধ্যমে লোৱা ভূমিকাটো আমাৰ জীৱনৰ ব্যক্তিগত আৰু সামাজিক উভয় ক্ষেত্রৰে সকলো দিশলৈ ফলপ্রসূভাৱে বিস্তাৰিত কৰিব পৰা যায়।

তলত কথাবোৰ বহলাই আলোচনা কৰা হ'ল।

সংযোগৰ প্রধান কাম হ'ল তথ্য প্রচাৰ, নির্দেশনা জ্ঞাপন, শিক্ষা প্রচাৰ, মনোৰঞ্জন প্রদান, ৰাষ্ট্রীয় সংহতি অক্ষুণ্ণ ৰখা ইত্যাদি। এই কাম-কাজবোৰৰ পাৰস্পৰিক সংযোগ আছে। কোনোটো কামেই স্বতন্ত্রীয়াকৈ সম্পাদন কৰিব নোৱাৰি। কোনো তথ্যই একে সময়তে সংযোগৰ আন আন কাম-কাজবোৰবো প্রতিনিধিত্ব কৰে।

পাঠ্যক্ৰমটো অধ্যয়ন কৰাৰ সময়ত আপুনি নিশ্চয় 'তথ্যই শক্তি' বোলা কথাযাৰ সম্পৰ্কে অৱগত হৈছে বাৰে পঢ়িবলৈ পাইছে। ইয়াৰ কাৰণ হ'ল, বৰ্তমানৰ আধুনিক পৃথিৱীখনত আমাৰ জীৱনবোৰ তথ্যক কেন্দ্ৰ কৰি ঘূৰিবলৈ লৈছে। তথ্য অবিহনে আমাৰ জীৱন স্থবিৰ হৈ পৰিব। বাতৰিকাকত পঢ়া অথবা টিভিৰ বাতৰি চোৱা অথবা ৰেডিঅ'ৰ বাতৰি শুনাৰ দৰে বহুদিনীয়া অভ্যাসবোৰ আমাক লাগতিয়াল তথ্যৰ বাবে প্ৰচাৰ মাধ্যমৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল কৰি তুলিছে। এই তথ্যবোৰৰ জৰিয়তে আমি শিক্ষা গ্ৰহণ কৰিব পাৰো আৰু কোনো এক বিশেষ পৰিস্থিতিত কেনেধৰণৰ ব্যৱস্থা লোৱা উচিত তাৰ নিৰ্দেশনাও লাভ কৰিব পাৰো।

৯.৪.১ গণতন্ত্ৰৰ স্তম্ভ

ভাৰ প্ৰকাশৰ স্বাধীনতাক মানুহৰ পূৰ্ণাংগ বিকাশ তথা সমাজৰ স্থিতি প্ৰদৰ্শক পূৰ্বচৰ্তৰূপে গণ্য কৰা হয়। এগৰাকী ব্যক্তিয়ে নিজৰ ভাব-চিন্তা মুকলিকৈ প্ৰকাশ কৰিব পাৰিব লাগে আৰু ৰাজহুৱা মঞ্চত সূত্ৰপাত হোৱা বিতৰ্কত ভাগ লোৱাৰ সুযোগ পাব লাগে। ইয়াৰ অন্যথা আমি এই ধাৰণাটো বুজা আৰু উপলব্ধি কৰাত অসমৰ্থ হ'ম। উল্লেখ কৰা ৰাজহুৱা মঞ্চখনেই হ'ল 'প্ৰচাৰ মাধ্যম' (Media)। ইয়াতেই মত প্ৰকাশৰ বাবে নানা বিতৰ্ক তথা আলাপ-আলোচনাৰ সূত্ৰপাত কৰা হয়।

প্ৰচাৰ মাধ্যমক বিশ্বজনীন মুক্ত বিশ্ববিদ্যালয় বুলি ক'ব পাৰি। ইয়াৰ বিশাল মঞ্চত সকলো ধৰণৰ সমস্যাই উপস্থাপন কৰিব পাৰি, আলাপ-আলোচনাৰ মাজেৰে একোটা যুক্তিসংগত সমাধানত উপনীত হ'ব পাৰি। প্ৰচাৰ মাধ্যমৰ পাঠক অথবা দৰ্শক হিচাপে জনসাধাৰণে নিজ ইচ্ছা অনুসৰি এনেবোৰ সমাধান গ্ৰহণ কৰিব পাৰে। উদাহৰণস্বৰূপে কেইবছৰমান আগতে ৰাজ্য চৰকাৰে প্ৰচাৰ মাধ্যমৰ জৰিয়তে 'ইল্লিগেল মাইগ্ৰেণ্টছ (ডেটাৰমিনেশ্যন বাই ট্ৰিব্যুনেল)' আইনখনৰ (IMDT) প্ৰয়োজনীয়তা সম্পৰ্কে এক উত্তপ্ত বিতৰ্কৰ সূচনা কৰিছিল। বিষয়টো সন্দৰ্ভত বিভিন্ন লোকে নিজ নিজ মতৰ সপক্ষত যুক্তি প্ৰদৰ্শন কৰিছিল। বিতৰ্কটোৰ জৰিয়তে বিষয়টোৰ ইতিবাচক, নেতিবাচক আৰু নিৰপেক্ষ দৃষ্টিভংগী তথা দৃষ্টিকোণ জানিব পৰা গৈছিল। এইবোৰৰ গুৰুত্ব আছে। বিতৰ্কলব্ধ তথ্যবোৰৰ পৰা জনসাধাৰণে আইনখন সমৰ্থন কৰিবনে নকৰে সেই বিষয়ত সিদ্ধান্ত ল'ব পাৰিছিল।

প্ৰচাৰ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বোলা হয়। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনক ৰাজ্য, বিধানসভা, কাৰ্যকৰী পৰিষদ অথবা চৰকাৰ আৰু প্ৰচাৰ মাধ্যম— এই স্তম্ভ চাৰিটাৰ ওপৰত স্থাপিত বুলি কোৱা হয়। ইয়াৰে তিনিটা স্তম্ভৰ যিকোনো এটা যদি বিপথে যায় আৰু দুৰ্নীতিপূৰ্ণ কাম-কাজত লিপ্ত হয়, তেন্তে প্ৰচাৰ মাধ্যমে জনসাধাৰণক এই বিষয়ে অৱগত কৰে। সেয়েহে বহুতে প্ৰচাৰ মাধ্যমক গণতন্ত্ৰৰ 'অতন্দ্ৰ প্ৰহৰী' (Watchdog) বুলি অভিহিত কৰে।

উন্নত পশ্চিমীয়া দেশবোৰত গণতান্ত্ৰিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰ শক্তিশালী

কৰাত প্রচাৰ মাধ্যমে সুদীর্ঘ দিন ধৰি এটা নিৰপেক্ষ আৰু গঠনমূলক ভূমিকা পালন কৰি আহিছে। ভাৰততো জনসাধাৰণে প্রচাৰ মাধ্যমৰ সৈতে এটা ঘনিষ্ঠ সম্পর্ক গঢ়ি তুলিছে। সর্বত্র বিয়পি পৰা দুর্নীতি প্রতিহত কৰাত প্রচাৰ মাধ্যমেই আগভাগ ল'ব বুলি একাংশই শেষ আশা পোষণ কৰে। পৃথিৱীৰ যিকোনো দেশতে প্রচাৰ মাধ্যমে এক উল্লেখযোগ্য ভূমিকা পালন কৰে। ইয়াৰ গভীৰ আৰু ব্যাপক জনসম্পর্ক তথা টিভি, ৰেডিঅ' আৰু বাতৰিকাকতৰ দৰে আহিলাৰ সুলভতাই এই দিশত গুৰুত্বপূর্ণ অৰিহণা আগবঢ়াই আহিছে। কোনো কথা ৰাজহুৱা কৰিবলৈ অথবা কোনো তথ্য ৰাইজৰ মাজত প্রচাৰ কৰিবলৈ গণ প্রচাৰ মাধ্যমতকৈ আন কোনো শক্তিশালী তথা ফলপ্রসূ পন্থা নাই।

৯.৪.২ সংকটাৱস্থাত প্রচাৰ মাধ্যম

মাজে-সময়ে, বিশেষকৈ স্বাধীনতা দিৱস আৰু গণতন্ত্র দিৱস আদিৰ দৰে গুৰুত্বপূর্ণ উপলক্ষত দেশৰ ৰাষ্ট্রপতি তথা প্রধানমন্ত্রীয়ে দেশবাসীক উদ্দেশি ৰেডিঅ' আৰু টিভিৰ জৰিয়তে ভাষণ দিয়ে। দেশৰ যিকোনো স্থানত উদ্ভৱ হোৱা যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ সময়তো এনে ব্যৱস্থা গ্রহণ কৰা হয়। এনে ঘটনা পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ সময়ত এনেধৰণৰ সম্প্রচাৰ গতানুগতিক কথা। কিন্তু অন্য বহুতো উপলক্ষত দেশৰ জনগণক কোনো নেতাই সম্বোধন কৰি জনাব খোজা বার্তা প্রচাৰৰ বাবে প্রচাৰ মাধ্যমক অতি ফলপ্রসূভাৱে ব্যৱহাৰ কৰি এখন উপযুক্ত মঞ্চৰ ৰূপ দিব পৰা যায়।

উদাহৰণস্বৰূপে ধৰা হ'ল অসমক সামৰি দেশৰ বহুকেইখন ৰাজ্যত এটা বিধ্বংসী ছুনামীসদৃশ দুর্যোগে দেখা দিছে। তেনে সময়ত তৎক্ষণাত দেশত এটা জৰুৰীকালীন সতর্কতামূলক ব্যৱস্থা 'ৰেড এলার্ট' গ্রহণৰ ঘোষণা কৰা হ'ব। দেশৰ ৰাষ্ট্রপতি আৰু প্রধানমন্ত্রীয়ে টিভি নাইবা ৰেডিঅ' নাইবা দুয়োটা মাধ্যমৰ যোগেদি দেশবাসীক সম্বোধি ভাষণ দিব। নির্বাচিত চৰকাৰখনৰ প্রতি জনসাধাৰণৰ আত্মবিশ্বাস অক্ষুণ্ণ ৰখাটোৱেই হ'ল এনে ভাষণৰ মূল উদ্দেশ্য। জনসাধাৰণ সুস্থিৰ হৈ থাকিলে যিকোনো সংকটাৱস্থা হেলাৰ পাৰ কৰিব অথবা সহজে সঠিকভাৱে সমাধান কৰিব পৰা যায়।

ফ্রেংকলিন ডি. ৰুছভেল্ট আমেৰিকাৰ ৰাষ্ট্রপতি হোৱাৰ সময়ত সেই দেশৰ অর্থনীতি অতি বেয়া অৱস্থাত আছিল। বহুদিনলৈকে তেওঁৰ দেশৰ জনতাৰ সৈতে 'ফায়াৰছাইড টক' নামৰ অনুষ্ঠানত এটাত অংশগ্রহণ কৰিছিল। এই অনুষ্ঠানত ৰুছভেল্টে তেওঁৰ নিবাসৰ জুহালৰ কাষত সন্ধিয়া বহিছিল। আগ্রহী শ্রোতাৰ সৈতে তেওঁ কিছু অনানুষ্ঠানিকভাৱে কথা পাতিছিল। বহুতো গণসংযোগ বিশেষজ্ঞৰ মতে আমেৰিকান ৰেডিঅ'ৰ যোগেদি দীর্ঘদিন ধৰি প্রচাৰিত হোৱা এই জুহালৰ কাষৰ কথিকা 'ফায়াৰছাইড

টক্' অত্যন্ত জনপ্ৰিয় হৈছিল আৰু আমেৰিকাৰ নাগৰিকৰ মনলৈ আত্মবিশ্বাস ঘূৰাই অনাত প্ৰধান ভূমিকা পালন কৰিছিল। এইটো হ'ল ভাৰ প্ৰকাশৰ স্বাধীনতা, জনগণৰ মনত আত্মবিশ্বাস জগাই তোলা আদিৰ দৰে বিভিন্ন দিশেৰে প্ৰচাৰ মাধ্যমে কেনেদৰে দেশৰ বিকাশত অৰিহণা যোগাব পাৰে তাৰ উল্লেখযোগ্য উদাহৰণ।

৯.৪.৩ ৰাজহুৱা সেৱা সম্প্ৰচাৰ

আমি আগৰ অধ্যায় এটাত ৰাজহুৱা সেৱা সম্প্ৰচাৰৰ (Public Service Broadcasting) ধাৰণাটো সম্পৰ্কে আলোচনা কৰিছো। PSB হ'ল এনে এবিধ সেৱা যাৰ জৰিয়তে টিভি আৰু ৰেডিঅ'ৰ দৰে বৈদুতিন প্ৰচাৰ মাধ্যমৰ সহায়ত অত্যন্ত গুৰুত্বপূৰ্ণ, দিহা-পৰামৰ্শ জ্ঞাপক আৰু শিক্ষামূলক তথ্য অথবা অনুষ্ঠান প্ৰচাৰ কৰা হয়। এনে প্ৰচাৰৰ প্ৰধান উদ্দেশ্য হ'ল এখন প্ৰগতিশীল সমাজৰ প্ৰচাৰ মাধ্যমৰ দ্বাৰা প্ৰচাৰিত বিষয়বস্তুবোৰত যাতে নিৰ্ধাৰিত শ্ৰোতা-দৰ্শকবৃন্দৰ বাবে উপকাৰী বুলি প্ৰমাণিত হ'ব পৰা গুণ থাকে সেয়া প্ৰতিপন্ন কৰা।

উদাহৰণস্বৰূপে AIR আৰু DD-এ ইয়াৰ নিৰ্ধাৰিত শ্ৰোতা-দৰ্শকবৃন্দৰ বাবে নিয়মীয়াকৈ কৃষি, শিশু আৰু মহিলাৰ বিকাশ আদি বিষয়ৰ সৈতে জড়িত বিস্তৃত আৰু ব্যাখ্যামূলক অনুষ্ঠান প্ৰচাৰ কৰে। ভালদৰে মন কৰিলে দেখিব পালছ্ পলিঅ' ইমিউনাইজেশ্যন, এইডছ্ সজাগতা আদিৰ দৰে ৰাজহুৱা কল্যাণকেন্দ্ৰিক বিষয়ক লৈ প্ৰস্তুত কৰা প্ৰচাৰ অথবা বিজ্ঞাপনসমূহ বিশেষভাৱে AIR আৰু DD-ৰ জৰিয়তে সম্প্ৰচাৰিত কৰা হয়। ই মাধ্যম দুটাৰ সামাজিক দায়বদ্ধতাৰ পৰিচায়ক।

কোনো ব্যক্তিগত প্ৰচাৰ মাধ্যম, টিভি অথবা ৰেডিঅ' চেনেলে বিত্তীয় মুনাফা লাভ নকৰাকৈ এনেধৰণৰ প্ৰচাৰ নকৰে। এনে বিজ্ঞাপনবোৰে প্ৰতিদ্বন্দ্বিতামূলক বিজ্ঞাপন শুল্কৰ যোগান নধৰে। প্ৰতিদ্বন্দ্বিতামূলক বিজ্ঞাপন শুল্ক মানে হ'ল টিভি অথবা ৰেডিঅ' অনুষ্ঠানৰ মাজৰ কোনো এটা নিৰ্দিষ্ট সময়ত সম্প্ৰচাৰৰ বাবে আদায় দিবলগীয়া সৰ্বাধিক মূল্য। বাতৰিকাকত অথবা আলোচনীৰ পৃষ্ঠাৰ কেন্দ্ৰীয় অংশত বিজ্ঞাপন প্ৰকাশৰ বাবে এনে শুল্ক আদায় দিব লাগে। বিভিন্ন প্ৰকাৰৰ অনুষ্ঠান ফৰমেট আৰু টাইম শ্লটৰ বাবে বিজ্ঞাপন শুল্কৰ পৰিমাণ বেলেগ বেলেগ। ইয়াৰ তুলনাত চৰকাৰী বিভাগবোৰৰ বিজ্ঞাপন অভিযানবোৰৰ নিৰিখ বাণিজ্যিক বজাৰখনতকৈ যথেষ্ট কম। কিন্তু PSB-এ বিজ্ঞাপন শুল্কৰ বৃদ্ধিৰ প্ৰতি মনোযোগ নিদি কেৱল নিৰ্ধাৰিত দৰ্শক-শ্ৰোতাবৃন্দৰ কল্যাণৰ স্বাৰ্থত এই বিজ্ঞাপনবোৰ সম্প্ৰচাৰ কৰে।

স্বাধীনতা লাভৰ সময়তে ভাৰত চৰকাৰে বুজি পাইছিল যে দেশৰ বিকাশ প্ৰক্ৰিয়াৰ এক অংশীদাৰ হিচাপে গণ প্ৰচাৰ মাধ্যমবোৰবো বিকাশ ঘটোৱা উচিত। সেয়েহে চৰকাৰে AIR-ক নিজৰ কৰ্তৃত্বৰ অন্তৰ্ভুক্ত কৰি ৰাখিলে। ইয়াক আজিকোপতি চৰকাৰে কল্যাণমূলক কাম-কাজৰ বাৰ্তাবাহকৰূপে ব্যৱহাৰ কৰি দেশৰ প্ৰতিটো প্ৰান্তলৈ থকা

বাসিন্দাৰ ওচৰ চপাৰ প্ৰয়াস কৰে। ৰেডিঅ' হ'ল চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি সম্পৰ্কে জনগণৰ মাজত সজাগতাৰ সৃষ্টি কৰিব পৰা তথ্য প্ৰচাৰৰ আদৰ্শ তথা কাৰ্যক্ষম মাধ্যম।

ইয়াৰ উপৰি মহাদেশীয় অনুপাততে বিক্ষিপ্ত হৈ থকা আমাৰ দেশৰ বিভিন্ন ধৰ্মীয়, নৃগোষ্ঠীয় তথা জনজাতীয় সম্প্ৰদায়ৰ সংস্কৃতি তথা তথ্যৰ আদান-প্ৰদান কৰাতো AIR আৰু DD-এ আমাক সঠিক সুবিধা প্ৰদান কৰে। উদাহৰণস্বৰূপে দুয়োটা PSB সেৱা আগবঢ়োৱা মাধ্যমেৰে ৰাষ্ট্ৰীয় নেটৱৰ্কযোগে আমি দেশৰ সকলোবোৰ নৃগোষ্ঠীয় সম্প্ৰদায় তথা প্ৰধান সংস্কৃতিবোৰ বিভিন্ন দিশক লৈ যুগুত কৰা অনুষ্ঠান দেখিবলৈ আৰু শুনিবলৈ পাওঁ। ই দেশৰ সৰ্বত্ৰ সিঁচৰতি হৈ থকা বাসিন্দাৰ মনত একতাৰ ভাৰ জগাই তোলাত সহায় কৰে। ৰাষ্ট্ৰ গঠনৰ ই এটা গভীৰ অনুশীলন।

৯.৪.৪ সমাজৰ মুৰব্বী হিচাপে প্ৰচাৰ মাধ্যম

গণ প্ৰচাৰ মাধ্যমে বিশ্বৰ সকলো সমাজতে একোখন উল্লেখযোগ্য স্থান দখল কৰিবলৈ সক্ষম হৈছে। ক্ষেত্ৰখনত কাম কৰি থকা লোক অথবা 'প্ৰচাৰ মাধ্যমৰ ব্যক্তি' (Media Person) বুলি পৰিচয় লভাসকলে বহু বছৰ ধৰি বিভিন্ন ৰাজহুৱা বিষয় অধ্যয়ন তথা প্ৰচাৰ কৰি আহিছে। তেওঁলোকে সেয়েহে স্বাভাৱিকভাৱে বিভিন্ন সামাজিক বিষয়ত বিশ্লেষণত ব্যুৎপত্তি লাভ কৰিছে। তেওঁলোকৰ গভীৰ তথা বিস্তৃত অভিজ্ঞতাই তেওঁলোকক বিভিন্ন বিষয়-সমস্যা সঠিকভাৱে পৰ্যবেক্ষণ-বিশ্লেষণ তথা নিৰ্দিষ্ট বিষয় সন্দৰ্ভত ভৱিষ্যৎ বাণী কৰাৰ দক্ষতা প্ৰদান কৰিছে। সেয়েহে সমাজ অথবা দেশ এখনে যেতিয়া কোনো সংকটৰ মুখামুখি হয়, প্ৰচাৰ মাধ্যমে দেশখনৰ নেতা অথবা পথ প্ৰদৰ্শকৰ ভূমিকা লৈ সংকট পাৰ কৰাত সহায় কৰিব বুলি ভবা হয়।

'প্ৰচাৰ মাধ্যমৰ ব্যক্তি'সকলে সুদীৰ্ঘ দিনৰ অভিজ্ঞতাপুষ্ট বিশেষ দক্ষতাৰে আমি এখন দেশৰ নাগৰিকৰূপে মুখামুখি হোৱা বিভিন্ন দ্বিধাগ্ৰস্ত পৰিস্থিতিত কেনে আচ�ৰণ কৰা উচিত তাৰ পৰামৰ্শ দিব পাৰে। সেয়েহে ক'ব পাৰি যে প্ৰচাৰ মাধ্যমে যিকোনো মুহূৰ্ততে দেশৰ মুৰব্বীৰ ভূমিকা পালন কৰিবলগীয়া হ'ব পাৰে।

কেৱল সংকট অথবা দুৰ্যোগৰ সময়তে নহয়, প্ৰচাৰ মাধ্যমে শান্তিপূৰ্ণ পৰিস্থিতিতো আমাৰ পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিব লাগে। তেনে অৱস্থাতো সকলো ক্ষেত্ৰতে বহুতো বিকল্প লাভ কৰাৰ বাবে সাধাৰণ ব্যক্তি এগৰাকীয়ে সঠিক পচন্দ কৰাৰ সময়ত দোমোজাত পৰিব পাৰে।

গণ প্ৰচাৰ মাধ্যমবোৰ সমাজৰ অবিচ্ছেদ্য অংগ। সেয়েহে এই মাধ্যমবোৰে সমাজত দেখা দিয়া সমস্যা, অসুবিধা, সংকটাৱস্থ আদি আওকাণ কৰি চলিব নোৱাৰে। সেয়েহে বহুতো প্ৰচাৰ মাধ্যম এজেন্সীয়ে একো একোটা বিশেষ উদ্দেশ্যৰ হকে যুঁজাৰ দায়িত্ব কান্ধ পাতি লৈছে। এখন বাতৰিকাকত, এখন আলোচনী, টিভি অথবা ৰেডিঅ'

চেনেল একোটাই এটা বিশেষ বিষয়ত ন্যায় লাভৰ বাবে অহৰহ অথবা নিয়মীয়া যুদ্ধ চলাই যোৱাৰ সিদ্ধান্ত লয়। ইয়াৰ উপৰি প্রচাৰ মাধ্যমবোৰে নিজৰ বাতৰি আৰু তাৰ তথ্য প্রচাৰ কৰাৰ সাধাৰণ দায়িত্বটোও পালন কৰি যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ উন্নয়ন আৰু ৰাষ্ট্র গঠনত প্রচাৰ মাধ্যমে কেনেদৰে অৰিহণা আগবঢ়াব পাৰে?

.....

.....

.....

প্রশ্ন নং ৬ ঃ সংযোগৰ প্রধান কাম-কাজবোৰ কি কি?

.....

.....

প্রশ্ন নং ৭ ঃ ..... হ'ল গণতন্ত্রৰ চতুর্থ স্তম্ভ।

প্রশ্ন নং ৮ ঃ ৰাজহুৱা সেৱা সম্প্রচাৰ (PSB) মানে কি?

.....

.....

প্রশ্ন নং ৯ ঃ চৰকাৰে AIR-ক কিয় নিজৰ কর্তৃত্বৰ পৰিধিৰ ভিতৰত ৰাখি থৈছিল?

.....

.....

অনুশীলনী ৯.১



গোটেই দিনটো অহৰহ টিভি সংবাদ বুলেটিন চাওক আৰু ১৫ দিন আপোনাৰ ঘৰৰ বাতৰিকাকতখন মনোযোগেৰে পঢ়ক। দুয়োটা মাধ্যমৰে উন্নয়ন আৰু ৰাষ্ট্র গঠনত প্রত্যক্ষ অথবা পৰোক্ষভাৱে অৰিহণা যোগাবলৈ সক্ষম বুলি আপোনাৰ ভাব হোৱা বিশেষ সংবাদবোৰ বিচাৰি উলিয়াওক।

.....

.....

.....

৯.৫ প্রচাৰ মাধ্যমৰ সামাজিক দায়িত্ব

আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ পাছত প্রচাৰ মাধ্যমে একত্রিতভাৱে এটা জৰুৰী সিদ্ধান্ত গ্রহণ কৰিছিল। সিদ্ধান্তটো হ'ল দেশৰ অধিকাংশ লোক নিৰক্ষৰ তথা আর্থ-সামাজিক দিশবোৰত কাংক্ষিত বিকাশ নোহোৱা হেতুকে প্রচাৰ মাধ্যমে এই দিশত সঠিকভাৱে নিজৰ সামাজিক দায়িত্ব পালন কৰিব।

সেয়েহে প্রচাৰ মাধ্যম প্রতিষ্ঠানবোৰৰ সন্থাই তলত উল্লেখ কৰা দিশবোৰ সুনিশ্চিত কৰাৰ সিদ্ধান্ত গ্রহণ কৰিছিল। জনসাধাৰণৰ তথ্য অৱগত কৰোৱাৰ সময়ত এই দিশবোৰ তেওঁলোকৰ প্রয়াসত প্রতিফলিত হৈছিল। এই দিশবোৰ হ'ল— প্রচাৰ মাধ্যমে কোনো সমস্যা আৰু ঘটনাকে অতিৰঞ্জিত কৰি ৰাইজক বিপথে পৰিচালিত নকৰে, ৰাইজৰ সুবিধার্থে চৰকাৰী আঁচনি আৰু পৰিকল্পনাৰ প্রচাৰৰ উদ্দেশ্যে চৰকাৰৰ সৈতে শিথিল সম্পর্ক বজাই ৰাখি কাম কৰিব, নিজ কর্তব্য সম্পাদন কৰোঁতে এটা ইতিবাচক ভূমিকা পালন কৰিব, কেতিয়াও নির্দ্ধাৰিত লক্ষ্য তথা উদ্দেশ্যৰ পৰা আঁতৰি নাযায় তথা যিকোনো মূল্যৰ বিনিময়ত জনসাধাৰণক অর্থপূর্ণ আৰু সত্য তথ্যৰ যোগান ধৰিব।

এয়াই হ'ল প্রচাৰ মাধ্যমৰ সামাজিক দায়িত্ব। এই দায়িত্ব পালনৰ অর্থে ভাৰতৰ অধিকাংশ গণ প্রচাৰ মাধ্যম প্রতিষ্ঠানে নিজে নির্দ্ধাৰণ কৰি লোৱা নীতি-নির্দেশনাসমূহ কেইবা দশক ধৰি পালন কৰি আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ প্রচাৰ মাধ্যমৰ সামাজিক দায়িত্ব কি?

.....

.....

.....



অনুশীলনী ৫.২

আপুনি যিটো প্রচাৰ মাধ্যমৰ নিয়মীয়া গ্রাহক তাৰ আটাইবোৰ বিষয়বস্তু মনোযোগেৰে নিৰীক্ষণ কৰক। প্রচাৰ মাধ্যমৰ সামাজিক দায়িত্বক প্রতিফলিত কৰা বিষয়সমূহ বাচি উলিয়াওক।

.....

.....

.....

৯.৬ অনুশীলনৰ সমস্যা

যদিও প্ৰচাৰ মাধ্যমক উন্নয়ন আৰু ৰাষ্ট্ৰ গঠনত অৰিহণা যোগোৱা এটা প্ৰধান কাৰক বুলি গণ্য কৰা হয়, তথাপিও ব্যৱহাৰিক ক্ষেত্ৰত বিভিন্ন অসুবিধাৰ বাবে এই কথাটোক সম্পূৰ্ণ সত্য বুলি মানি ল'ব পৰা নাযায়। উদাহৰণস্বৰূপে, যদিও প্ৰচাৰ মাধ্যমৰ সামাজিক দায়িত্বটো গুৰুত্বপূৰ্ণ, তথাপিও ধন ঘটাৰ লোভত প্ৰচাৰ মাধ্যমে বহু সময়ত নিৰ্দ্ধাৰিত সংহিতা উলংঘন কৰি হ্ৰস্ব পথ অনুসৰণ কৰা দেখা যায়। জনসাধাৰণক বিপথে পৰিচালিত কৰিব নেকি সেয়া বিচাৰ নকৰাকৈয়ে অধিক শ্ৰোতা-পাঠক-দৰ্শকক আকৰ্ষণ কৰাৰ স্বাৰ্থত প্ৰচাৰ মাধ্যমে ৰোমাঞ্চক বাতৰি পৰিবেশন কৰে। বিগত কেইবছৰমানত এই পৰিঘটনাটো দ্ৰুতগতিত বাঢ়িছে। ইয়াৰ মূল কাৰণ হ'ল টিভি/ৰেডিঅ' চেনেল, বাতৰিকাক, আলোচনী আদিৰ অভূতপূৰ্ব সংখ্যা বৃদ্ধি তথা ক্ৰমবৰ্ধমান তীব্ৰ প্ৰতিদ্বন্দ্বিতা। নিজকে সকলোতকৈ আগত ৰখাৰ প্ৰতিযোগিতাত নমা প্ৰচাৰ মাধ্যমবোৰে জনসাধাৰণক উপযুক্ত সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত চৰম সমস্যাৰ সৃষ্টি কৰিছে।

ইয়াৰ উপৰি ৰাজহুৱা সেৱা সম্প্ৰচাৰ (PSB) ক্ষেত্ৰখনত যোৱা কেইবছৰমানত এটা সমস্যাই মূৰ দাঙি উঠিছে। উদাৰীকৰণৰ ফলত চৰকাৰে ৰাজহুৱা কল্যাণমূলক কাম-কাজৰ ক্ষেত্ৰত থকা নিজৰ সমৰ্থন দিনে দিনে কমাই দিছে। অৰ্থাৎ ৰাজহুৱা সেৱা সম্প্ৰচাৰ, শিক্ষা, স্বাস্থ্য আদি ক্ষেত্ৰত বিনিয়োগৰ পৰিমাণ চৰকাৰে কম কৰিছে আৰু এই ক্ষেত্ৰসমূহ ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰি দিছে।

চৰকাৰৰ এই নীতিৰ ফলত AIR আৰু DD-ৰ দৰে PSB বোৰে আগৰ দৰে নিজ নিজ অনুষ্ঠান সম্প্ৰচাৰ কৰিব নোৱাৰা হৈছে। বিত্তীয় নাটনি হ'ল ইয়াৰ মূল কাৰণ। মাধ্যম দুটাক পুঁজিৰ বাবে চৰকাৰৰ মুখাপেক্ষী নহৈ নিজাববীয়াকৈ শুল্ক আহৰণ কৰিবলৈ পৰোক্ষভাৱে নিৰ্দেশ দিয়া হৈছে। সমস্যাৰ আৰম্ভণি তাতেই হৈছে। যদি ৰাজহুৱা সেৱা সম্প্ৰচাৰকাৰী প্ৰতিষ্ঠান এটাই শুল্ক আহৰণৰ খাতিৰত সস্তীয়া, জনপ্ৰিয় বিনোদনমূলক অনুষ্ঠান প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে, তেন্তে ৰাজহুৱা কল্যাণমূলক অনুষ্ঠান প্ৰচাৰৰ দায়িত্ব কোনে ল'ব? এই দায়িত্ব কোনো ব্যক্তিগত প্ৰচাৰ মাধ্যমে যে নলয় সেয়া নিশ্চিত।

আন এটা সমস্যা হ'ল ভাৰতত 'ভাব প্ৰকাশৰ স্বাধীনতা' শীৰ্ষক ধাৰণাটোৰ স্থিতি। যদিও চৰকাৰে দেশৰ প্ৰচাৰ মাধ্যমৰ ভাব প্ৰকাশৰ স্বাধীনতাক পৃষ্ঠপোষকতা কৰাৰ কথা কয়, তথাপিও সময়ে সময়ে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাই এই দাবীৰ প্ৰতি সন্দেহৰ সৃষ্টি কৰে।

আপোনাৰ নিশ্চয় মনত আছে— কেইবছৰমানৰ আগতে 'টেহেলকা' নামৰ চেনেলটোৱে সমগ্ৰ ভাৰততে খলকনি তোলা প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অস্ত্ৰ-শস্ত্ৰ ক্ৰয়ৰ লেন-দেনত চলা দুনীতিৰ কথা পোহৰলৈ আনিছিল।

যিহেতু সেই সময়ৰ শাসনাধিষ্ঠিত দলটোৱে এই ঘটনাটোৰ বাবে অস্বস্তিকৰ পৰিস্থিতিত পৰিছিল, সেয়েহে তেওঁলোকে টেহেলকা প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে এশ-এবুৰি গোচৰ ৰুজু কৰি প্ৰতিষ্ঠানটোক বিপাঙত পেলোৱাৰ চেষ্টা কৰিছিল। টেহেলকাৰ বিৰুদ্ধে তৰা গোচৰবোৰ বৈদেশিক

মুদ্রা বিনিময় নিয়ন্ত্রণ আইন, আবকাৰী আৰু ৰাজহ আইন আদি বিভিন্ন আইনৰ অধীনত আছিল। ইয়াৰ আঁৰৰ উদ্দেশ্য আছিল টেহেলকাই যাতে নিজে নিজে এই দুর্নীতিৰ বাতৰিটোৰ আঁৰকাপোৰ তৰে। অৱশ্যে পাছত আদালতত প্রমাণিত হয় যে এই গোচৰবোৰৰ কোনো ভিত্তি নাছিল। আদালতে প্রতিষ্ঠানটোক সসন্মানে সকলো অভিযোগৰ পৰা মুক্ত কৰি দিছিল।

এইটো হ'ল কেন্দ্রীয় অথবা ৰাজ্যিক পর্যায়ত শাসনাধিষ্ঠিত চৰকাৰ একোখনে কেনেদৰে প্রচাৰ মাধ্যম অথবা সুৰুচিপন্ন প্রতিষ্ঠানৰ বাবে সমস্যাৰ সৃষ্টি কৰিব পাৰে তাৰ উল্লেখযোগ্য উদাহৰণ। নিজ কর্তব্য সুচাৰুৰূপে পালনত এনে মাধ্যমবোৰক ওপৰত উল্লেখ কৰি অহাধৰণে বাধা প্রদান কৰা হ'ব পাৰে যিটো জনসাধাৰণ তথা প্রচাৰ মাধ্যমৰ ভাব প্রকাশৰ সম্পূর্ণ স্বাধীনতাৰ ধ্বজাবাহক বুলি দাবী কৰা ভাৰতৰ দৰে দেশ এখনৰ বাবে অতি পৰিতাপৰ বিষয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ আমাৰ দেশত ভাব প্রকাশৰ স্বাধীনতাক ফলপ্রসূতভাৱে মানি চলা হয়নে?

.....

.....

.....

.....

প্রশ্ন নং ১২ ঃ প্রচাৰ মাধ্যমবোৰক প্রায়েই কিয় শিহৰণকাৰী বার্তা পৰিবেশনৰ প্রতি উন্মুখ হৈ পৰা দেখা যায়?

.....

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গণ প্রচাৰ মাধ্যম আৰু উন্নয়ন হ'ল ৰাষ্ট্র গঠন প্রক্রিয়াৰ অবিচ্ছেদ্য অংশীদাৰ।
- এখন গণতান্ত্রিক দেশত প্রচাৰ মাধ্যমক উপযুক্ত সন্মান আৰু আসন দিয়া উচিত যাতে ই দেশৰ প্রগতিৰ লক্ষ্যত উপনীত হ'বলৈ নিজ কর্তব্য স্বতন্ত্রভাৱে সম্পাদন কৰিব পাৰে।

- আমেৰিকাই বৃটিছ শাসনৰ পৰা মুক্ত হৈ স্বাধীনতা লাভৰ বিপ্লৱ আৰম্ভ কৰাৰ সময়ত সেই স্বাধীনতা সংগ্ৰামক সমৰ্থন জনাই প্ৰচাৰ মাধ্যমে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।
- মধ্যযুগত কোনো গণ সংযোগ বিষয়ক কিতাপ নাছিল আৰু ধৰ্মগ্ৰন্থসমূহ সাধাৰণ মানুহৰ বাবে দুৰ্লভ আছিল।
- কিন্তু জোহানছে গুটেনবাৰ্গে ছপাশাল আৱিষ্কাৰ কৰাৰ পাছত ধৰ্মগ্ৰন্থ আৰু মহাকাব্যসমূহ সকলোৰে বাবে সুলভ হৈ পৰিল।
- সংযোগৰ প্ৰধান কাম-কাজবোৰ হ'ল তথ্য প্ৰচাৰ, পৰামৰ্শ জ্ঞাপন, শিক্ষা প্ৰদান, মনোৰঞ্জন কৰা, ৰাষ্ট্ৰীয় সংহতি বজাই ৰখা ইত্যাদি।
- এজন ব্যক্তিৰ সৰ্বাংগীন উন্নতি আৰু সমাজৰ স্থিতি প্ৰদৰ্শনৰ পূৰ্বচৰ্ত হ'ল ভাব প্ৰকাশৰ স্বাধীনতা।
- এজন ব্যক্তিৰ সৰ্বাংগীন উন্নতি আৰু সমাজৰ স্থিতি প্ৰদৰ্শনৰ পূৰ্বচৰ্ত হ'ল ভাব প্ৰকাশৰ স্বাধীনতা।
- প্ৰচাৰ মাধ্যম হ'ল এখন বিশ্বজনীন মুক্ত বিশ্ববিদ্যালয়। ইয়াৰ বিশাল মঞ্চত সকলো প্ৰকাৰৰ সমস্যা আৰু বিষয় উপস্থাপন কৰিব পৰা যায়। আলাপ-আলোচনা তথা তৰ্ক-বিতৰ্কৰ অন্তত সমস্যাবোৰৰ যুক্তিসংগত সমাধান বাহিৰ কৰা হয়।
- প্ৰচাৰ মাধ্যম হ'ল গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ।
- ৰাজহুৱা সেৱা সম্প্ৰচাৰ (PSB) হ'ল এনে এবিধ সেৱা যাৰ জৰিয়তে টিভি আৰু ৰেডিঅ'ৰ দৰে বৈদ্যুতিন প্ৰচাৰ মাধ্যমবোৰ ব্যৱহাৰ কৰি প্ৰধানকৈ অতীব প্ৰয়োজনীয় অৰ্থপূৰ্ণ, পৰামৰ্শজ্ঞাপক আৰু শিক্ষামূলক তথ্য অথবা বিষয় সম্প্ৰচাৰ কৰা হয়।
- প্ৰচাৰ মাধ্যমৰ কিছুমান সামাজিক দায়িত্বও থাকে। তথাপিও বহু সময়ত আমি প্ৰচাৰ মাধ্যমবোৰক ৰোমাঞ্চকৰ বা-বাতৰি পৰিবেশন কৰা দেখা পাওঁ। এনে বাতৰিবোৰে ৰাইজক বিপথে পৰিচালিত কৰাৰ সম্ভাৱনা বিবেচনা নকৰি প্ৰচাৰ মাধ্যমবোৰে নিৰ্দ্ধাৰিত সংহিতাৰ উলংঘন কৰে।



৯.৮ অধিক জানিবলৈ

1) Development and Educational Communication Unit (DECU), *Yatra–The Journey*, ISRO, Ahmedabad.
2) Gupta, Biswajeet, *Media Development and Management : New Horizons*, Kanishka Publishers, Delhi.
3) Menon, Mridula, *Development Communication and Media Debate*,

Kanishka Publishers, Delhi.

4) Prabhakar, Naval & Basu, Narendra, *Mass Media and Development*, Commonwealth Publishrs, Delhi.

5) Taleem (1997) Resource Material, *Communicating for Sustainable Development*, Centre for Environment Education, Ahmedabad.



৯.৯ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ এখন গণতান্ত্রিক দেশত প্রচাৰ মাধ্যমক সন্মান প্রদর্শন কৰিব লাগে যাতে ই দেশৰ প্রগতিৰ লক্ষ্যত উপনীত হ'বলৈ নিজ কর্তব্য স্বতন্ত্রভাৱে পালন কৰিব পাৰে।

২নং প্ৰশ্নৰ উত্তৰ ঃ ইংৰাজী।

৩নং প্ৰশ্নৰ উত্তৰ ঃ আমেৰিকাৰ জনসাধাৰণে বৃটিছ চৰকাৰৰ অধীনৰ পৰা মুক্ত হৈ পৃথক আৰু স্বাধীন দেশ গঠন কৰিবলৈ বিপ্লৱৰ সূচনা কৰাৰ সময়ত প্রচাৰ মাধ্যমবোৰে স্বাধীনতা সংগ্রামৰ সপক্ষত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। দেশখনে স্বাধীনতা লাভ কৰাৰ ক্ষেত্রত এই ভূমিকাই এক উল্লেখযোগ্য কাৰকৰ ৰূপ লৈছিল। সেয়েহে আমেৰিকা যুক্তৰাষ্ট্রৰ সংবিধানৰ প্রথম সংশোধনীত এই কথা স্পষ্টভাৱে উল্লেখ কৰা আছে যে দেশখনৰ সংসদে সংবাদ মাধ্যমৰ স্বাধীনতা যিকোনো ধৰণে খর্ব অথবা সীমাবদ্ধ কৰিব পৰা কোনো ধৰণৰ আইন প্রণয়ন নকৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ জোহানেছ গুটেনবার্গৰ দ্বাৰা ছপাশাল উদ্ভাৱন।

৫নং প্ৰশ্নৰ উত্তৰ ঃ গণ প্রচাৰ মাধ্যম হ'ল ৰাষ্ট্র এখনৰ গঠন প্রক্রিয়াত সবল ভূমিকা পালন কৰা কাৰক। ভাৰতৰ দৰে বিশাল ভৌগোলিক এলেকা জুৰি থকা দেশ এখনৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য। দেশৰ এখনৰ বিভিন্ন প্রত্যন্ত প্রান্তত বাস কৰা জনগণৰ মাজত সম্পর্ক স্থাপন কৰি ই ঐক্য আৰু সংহতিৰ ভাৱনা গঢ়ি তোলাত সহায় কৰে। ই আমাক মত বিনিময় তথা সংস্কৃতি আদান-প্রদানৰ মঞ্চ এখনৰ যোগান ধৰে। প্রচাৰ মাধ্যমৰ সহায়ত আমি ইজনে সিজনৰ অস্তিত্ব সম্পর্কে সজাগ হোৱাৰ সুযোগ পাওঁ। সংকট কালত প্রচাৰ মাধ্যমে জনসাধাৰণৰ পথ প্রদর্শকৰ ভূমিকা পালন কৰি সঠিক সিদ্ধান্ত লোৱাত আৰু সৌভাগ্যৰ গৰাকী হোৱাত সহায় কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সংযোগৰ প্রধান কাম-কাজবোৰ হ'ল তথ্য প্রচাৰ, নির্দেশনা জ্ঞাপন, শিক্ষা প্রদান, মনোৰঞ্জন কৰা আৰু ৰাষ্ট্রীয় সংহতি বজাই ৰখা

৭নং প্ৰশ্নৰ উত্তৰ ঃ প্রচাৰ মাধ্যম।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজহুৱা সেৱা সম্প্রচাৰ (PSB) হ'ল এনে এবিধ সেৱা যাৰ জৰিয়তে টিভি আৰু ৰেডিঅ'ৰ দৰে বৈদ্যুতিক প্রচাৰ মাধ্যমৰ সহায়ত অত্যন্ত অর্থপূর্ণ, দিহা-পৰামর্শ জ্ঞাপক আৰু শিক্ষামূলক তথ্য অথবা অনুষ্ঠান প্রচাৰ কৰা হয়।

৯নং প্ৰশ্নৰ উত্তৰ ঃ স্বাধীনতা লাভৰ সময়তে ভাৰত চৰকাৰে বুজি পাইছিল যে দেশৰ বিকাশ প্ৰক্ৰিয়াৰ এক অংশীদাৰ হিচাপে গণ প্ৰচাৰ মাধ্যমবোৰৰো বিকাশ ঘটোৱা উচিত। সেয়েহে চৰকাৰে আকাশবাণীক (AIR) নিজৰ কৰ্তৃত্বৰ অধীন কৰি ৰাখিলে। ৰেডিঅ'ৰ দুৰ্গম অঞ্চললৈ প্ৰচাৰ কৰিব পৰা সম্ভাৱনীয়তাটোৰ বাবে আকাশবাণীক চৰকাৰৰ কল্যাণমূলক কাম-কাজৰ বাৰ্তাবাহকৰূপে চৰকাৰে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লৈছিল।

১০নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া প্ৰচাৰ মাধ্যমে সাৱধানতা সহকাৰে আৰু পৰিশীলিত ৰূপত সামাজিক কৰ্তব্য পালন কৰা দায়িত্ব স্বেচ্ছাই গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে, তাকেই প্ৰচাৰ মাধ্যমৰ সামাজিক দায়িত্ব বোলা হয়। এনে দায়িত্বৰ ভিতৰত আছে ঘটনা অথবা বাতৰি অতিৰঞ্জিত নকৰা, বিভিন্ন উন্নয়নমূলক কাম সম্পৰ্কে অজ্ঞ জনগণক দিহা-পৰামৰ্শ দিয়া, জনগণক উন্নত জীৱন-যাপনৰ মান সম্পৰ্কে সজাগ কৰা উচিত। প্ৰচাৰ মাধ্যমে ইয়াৰ গভীৰ সামাজিক দায়বদ্ধতাৰ কাৰণে এই স্বেচ্ছামূলক কাম-কাজবোৰ গ্ৰহণ কৰে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ নহয়। আমাৰ দেশত ভাৰ প্ৰকাশৰ সম্পূৰ্ণ স্বাধীনতা দিয়া হয় বুলি কোৱা হয় যদিও বাস্তৱ ক্ষেত্ৰত কিছুমান সমস্যাৰ বাবে ইয়াৰ বিপৰীত ছবি এখনহে দেখা যায়। উদাহৰণস্বৰূপে, টেহেলকা সংবাদ চেনেলটোৱে প্ৰথমবাৰৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অস্ত্ৰ-শস্ত্ৰ ক্ৰয়ৰ কেলেংকাৰী ফাদিল কৰাৰ পাছত চেনেলটোৰ বিপক্ষে শাসক পক্ষই নানা গোচৰ ৰুজু কৰি ইয়াক বিমোৰত পেলোৱাৰ চেষ্টা কৰিছিল। ই হ'ল অসংখ্য উদাহৰণৰ মাজৰে এটা। এনে ঘটনা আমাৰ দেশত নিতৌ ঘটিয়েই আছে, কিন্তু এইবোৰ কোনো মাধ্যমতে সংবাদৰূপে পৰিবেশন কৰা নহয়।

১২নং প্ৰশ্নৰ উত্তৰ ঃ টিভি/ৰেডিঅ' চেনেল, বাতৰিকাকত, আলোচনী আদিৰ অভূতপূৰ্ব সংখ্যা বৃদ্ধি আৰু প্ৰচাৰ মাধ্যমবোৰৰ মাজৰ ক্ৰমবৰ্ধমান তীব্ৰ প্ৰতিদ্বন্দ্বিতাই হ'ল এই প্ৰৱণতাৰ আঁৰৰ কাৰণ। প্ৰতিযোগিতাত সকলোৰে আগত থকাৰ খাটিৰত প্ৰচাৰ মাধ্যমবোৰে পাঠক-শ্ৰোতা-দৰ্শকক আকৰ্ষণ কৰিবলৈ শিহৰণকাৰী বাৰ্তা পৰিবেশন কৰে।



৯.১০ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০টা শব্দত উত্তৰ দিয়ক)

১) প্ৰচাৰ মাধ্যমক বিশ্বযোৰা মুক্ত বিশ্ববিদ্যালয় বুলি কিয় অভিহিত কৰা হয়?

২) গণতন্ত্ৰৰ চাবিটা স্তম্ভ কি কি?

৩) ফায়াৰছাইড টকচ কি?

খ) চমু প্ৰশ্ন (প্ৰায় ১৫০টা শব্দত উত্তৰ দিয়ক)

১) প্ৰচাৰ মাধ্যমক গণতন্ত্ৰৰ প্ৰহৰী বুলি কিয় কোৱা হয়?

২) প্রচাৰ মাধ্যমৰ সামাজিক দায়বদ্ধতাৰ বিষয়ে আলোচনা কৰক।

৩) ৰাষ্ট্রীয় সংহতি প্রতিষ্ঠাৰ ক্ষেত্রত প্রচাৰ মাধ্যমে কেনেদৰে সহায় কৰে?

গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০শব্দত উত্তৰ দিয়ক)

১) ৰাজহুৱা সেৱা সম্প্রচাৰৰ ধাৰণাটো উদাহৰণ সহ ব্যাখ্যা কৰক।

২) উন্নয়নৰ দিশত জনসাধাৰণৰ প্রত্যাশাৰ অনুকূলে প্রচাৰ মাধ্যমে কাম কৰিব পাৰিছে বুলি আপুনি ভাবে নে?

৩) আপোনাৰ ৰাজ্যৰ উন্নয়ন ক্ষেত্রত প্রচাৰ মাধ্যমৰ অৰিহণা বর্ণনা কৰক।

৪) উন্নয়নৰ গান্ধীবাদী আর্হিটো কাৰ সৈতে সংলগ্ন ব্যাখ্যা কৰক।

*** ***** ***